**নৱম ভাৰত-ইটালী বৈদেশিক পৰিক্ৰমা দপ্তৰৰ পৰামৰ্শ বৈঠক (মাৰ্চ 20, 2026)**

মাৰ্চ 20, 2026

নৱম ভাৰত-ইটালী বৈদেশিক পৰিক্ৰমা দপ্তৰৰ পৰামৰ্শ বৈঠক (FOC) 20 মাৰ্চ 2026 তাৰিখে নতুন দিল্লীত অনুষ্ঠিত হৈছিল। ভাৰতীয় প্ৰতিনিধি দলৰ নেতৃত্ব দিছিল ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সচিব (পশ্চিম) শ্ৰী চিবি জৰ্জে আৰু ইটালীৰ প্ৰতিনিধি দলৰ নেতৃত্ব দিছিল ইটালীৰ বৈদেশিক পৰিক্ৰমা আৰু আন্তঃৰাষ্ট্ৰীয় সহযোগিতা মন্ত্ৰালয়ৰ ছাব-ছাহাৰান আফ্ৰিকা, লেটিন আমেৰিকা, এছিয়া আৰু ওচেনিয়া বিভাগৰ সঞ্চালক প্ৰধান ৰাষ্ট্ৰদূত নিকোলেটা বোম্বাৰ্ডিয়াৰে।

2. এই বৈদেশিক পৰিক্ৰমা দপ্তৰৰ পৰামৰ্শ বৈঠক দুয়োপক্ষৰ মাজত চলি থকা নিয়মীয়া আৰু উচ্চস্তৰীয় যোগাযোগৰ পটভূমিত অনুষ্ঠিত হৈছিল; যাৰ ভিতৰত শেহতীয়াভাৱে 2025 চনৰ নৱেম্বৰ মাহত জোহান্সবাৰ্গত অনুষ্ঠিত জি-20 সন্মিলনত মাননীয় প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী আৰু ইটালীৰ প্ৰধানমন্ত্ৰী মহামহিম জৰ্জিয়া মেলনীৰ মাজত হোৱা বৈঠক আৰু 2025 চনৰ ডিচেম্বৰ মাহত দিল্লীত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডo এছ জয়শংকৰ আৰু ইটালীৰ উপ-প্ৰধানমন্ত্ৰী তথা বৈদেশিক মন্ত্ৰী এণ্টনিঅ' তাজানিৰ মাজত হোৱা বৈঠক উল্লেখযোগ্য।

3. এই বৈদেশিক পৰিক্ৰমা দপ্তৰৰ পৰামৰ্শ বৈঠকে (FOC) দ্বিপাক্ষিক সহযোগিতাৰ সকলো দিশৰ লগতে পাৰস্পৰিক স্বাৰ্থজড়িত আঞ্চলিক আৰু গোলকীয় বিষয়সমূহ পৰ্যালোচনা আৰু আলোচনা কৰাৰ এক সুযোগ প্ৰদান কৰিছিল। উভয় পক্ষই 2025-29 বৰ্ষৰ 'যুটীয়া কৌশলগত কাৰ্য পৰিকল্পনা'ৰ (JSAP) অগ্ৰগতিত সন্তোষ প্ৰকাশ কৰে; বিশেষকৈ বাণিজ্য আৰু অৰ্থনীতি, প্ৰযুক্তি, মহাকাশ, গৱেষণা আৰু উদ্ভাৱন, প্ৰতিৰক্ষা আৰু নিৰাপত্তা, সন্ত্ৰাসবাদ বিৰোধী অভিযান, নৱীকৰণযোগ্য শক্তি, শিক্ষা আৰু জনসাধাৰণৰ মাজত পাৰস্পৰিক সম্পৰ্ক স্থাপনৰ দৰে ক্ষেত্ৰসমূহত হোৱা উন্নতিৰ বাবে। উভয় পক্ষই সন্ত্ৰাসবাদৰ বিৰুদ্ধে এক সামগ্ৰিক আৰু নিৰন্তৰ যুঁজ দিয়াৰ যুটীয়া প্ৰতিশ্ৰুতিৰ সৈতে সংগতি ৰাখি, 'সন্ত্ৰাসবাদৰ বাবে ধন যোগান ধৰা কাৰ্য প্ৰতিহত কৰিবলৈ ভাৰত-ইটালী যুটীয়া পদক্ষেপ'ৰ দ্ৰুত ৰূপায়ণৰ ওপৰত একমত হয়। সামুদ্ৰিক ক্ষেত্ৰত সুৰক্ষা, নিৰাপত্তা আৰু বিকাশৰ বাবে সহযোগিতা বৃদ্ধি কৰিবলৈ দুয়োপক্ষই প্ৰথমবাৰৰ বাবে সামুদ্ৰিক নিৰাপত্তা সংলাপ অনুষ্ঠিত কৰাৰ দিশতো কাম কৰি আছে।

4. উভয় পক্ষই ভাৰত-ইউৰোপীয় ইউনিয়নৰ ক্ৰমবৰ্ধমান কৌশলগত অংশীদাৰিত্বত সন্তোষ প্ৰকাশ কৰে আৰু ঐতিহাসিক ভাৰত-ইউৰোপীয় ইউনিয়ন মুক্ত বাণিজ্য চুক্তিৰ আলোচনাৰ সফল সমাপ্তি, নিৰাপত্তা আৰু প্ৰতিৰক্ষা

অংশীদাৰিত্বৰ চুক্তি স্বাক্ষৰ আৰু যাতায়ত বা গতিশীলতাৰ সহযোগিতাৰ বাবে এক বিস্তৃত পৰিকাঠামো তৈয়াৰ কৰা কাৰ্যক আদৰণি জনায়। তেওঁলোকে ভাৰত-ইউৰোপীয় ইউনিয়নৰ মুক্ত বাণিজ্য চুক্তি সোনকালে স্বাক্ষৰ কৰা আৰু কাৰ্যকৰী কৰাৰ বাবে আগ্ৰহেৰে বাট চাই আছে। তেওঁলোকে ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চল, পশ্চিম এছিয়াৰ গুৰুত্বপূৰ্ণ ঘটনাৱলী আৰু পাৰস্পৰিক স্বাৰ্থজড়িত অন্যান্য গোলকীয় তথা আঞ্চলিক বিষয়সমূহৰ সন্দৰ্ভত আলোচনা কৰে।

5. উভয় পক্ষই প্ৰব্ৰজন আৰু গতিশীলতা চুক্তিৰ অধীনত স্বাস্থ্য খণ্ডকে ধৰি অন্যান্য ক্ষেত্ৰত দক্ষতা বৃদ্ধি আৰু পাৰস্পৰিক যাতায়াতৰ সহযোগিতা অধিক শক্তিশালী কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

6. ভাৰত-ইটালীৰ দ্বিপাক্ষিক সম্পৰ্ক বৰ্তমান উৰ্ধমুখী গতিৰে অগ্ৰসৰ হৈছে; য'ত নিয়মীয়া উচ্চস্তৰীয় যোগাযোগ, মন্ত্ৰী পৰ্যায়ৰ সংলাপ আৰু ব্যক্তিগত খণ্ডৰ মাজত বৰ্ধিত সহযোগিতা পৰিলক্ষিত হৈছে। উভয় পক্ষই ভাৰত-ইটালী কৌশলগত অংশীদাৰিত্ব অধিক গভীৰ কৰাৰ লক্ষ্যৰে সকলো ক্ষেত্ৰতে যুটীয়া কৌশলগত কাৰ্যপৰিকল্পনা (JSAP) সময়মতে ৰূপায়ণ কৰিবলৈ বাণিজ্য আৰু বিনিয়োগ, প্ৰতিৰক্ষা, বিজ্ঞান আৰু প্ৰযুক্তি আদিৰ দৰে প্ৰতিষ্ঠানিক ব্যৱস্থাসমূহৰ নিয়মীয়া বৈঠকৰ লগতে নিৰন্তৰ যোগাযোগৰ বাবে আগ্ৰহ প্ৰকাশ কৰে।

7. উভয় পক্ষই পৰৱৰ্তী পৰ্যায়ৰ বৈদেশিক পৰিক্ৰমা দপ্তৰৰ পৰামৰ্শ বৈঠক (FOC) দুয়োপক্ষৰ বাবে সুবিধাজনক তাৰিখত ইটালীত অনুষ্ঠিত কৰিবলৈ সন্মত হয়।

নতুন দিল্লী

মাৰ্চ 20, 2026